অসম

নামভর্তিৰ পিছতো MBBS-ৰ মাচুল ১ লাখ পর্যন্ত বৃদ্ধি, ৩০ দিনৰ ভিতৰত আদায়ৰ নির্দেশ! পূর্বৰ চাৰিটা শিক্ষাবর্ষৰ শিক্ষার্থীলৈও নতুন মাচুলৰ বোজা, স্বাস্থ্য বিভাগৰ হঠকাৰী সিদ্ধান্ত


ৰাজ্যৰ চৰকাৰী মেডিকেল কলেজত পৰিয়ালৰ বার্ষিক উপার্জনৰ ভিত্তিত এমবিবিএছৰ মাচুল সর্বাধিক ১ লাখ টকালৈ বৃদ্ধি কৰি ৩০ নৱেম্বৰৰ ভিতৰত জমা দিবলৈ নির্দেশ দিয়া হৈছে।

প্রকাশ: ২১ নৱেম্বৰ ২০২৬, নিশা ১১:৫৩ আপডেট: ২২ নৱেম্বৰ ২০২৬, নিশা ১২:৩৬



(NewzNow Graphics)

গুৱাহাটী, ২১ নৱেম্বৰ: নামভর্তি সম্পূর্ণ হোৱাৰ পিছতো ৰাজ্যৰ চৰকাৰী মেডিকেল কলেজ সমূহত MBBS পাঠ্যক্রমৰ মাচুল বৃদ্ধিৰ সিদ্ধান্তই ৰাজ্যৰ চিকিৎসা শিক্ষা ব্যৱস্থাক লৈ নতুন বিতর্কৰ সৃষ্টি কৰিছে। পৰিয়ালৰ বার্ষিক উপার্জনৰ ভিত্তিত MBBS পাঠ্যক্রমৰ মাচুল সর্বাধিক ১ লাখ টকালৈ নির্ধাৰণ কৰিছে ৰাজ্যৰ Medical Education and Research Department-এ। কেৱল নতুনকৈ নামভর্তি কৰা শিক্ষার্থীয়েই নহয়, ইতিমধ্যে পাঠ্যক্রমত অধ্যয়ন কৰি থকা ২০২২–২৩, ২০২৩–২৪, ২০২৪–২৫ আৰু ২০২৫–২৬ শিক্ষাবর্ষৰ শিক্ষার্থীসকলকো সংশোধিত মাচুলৰ শ্রেণী অনুসৰি ধন জমা দিবলৈ নির্দেশ দিয়া হৈছে।



GOVERNMENT OF ASSAM
OFFICE OF THE PRINCIPAL CUM CHIEF SUPERINTENDENT
GAUHATI MEDICAL COLLEGE HOSPITAL, GUWAHATI
(7TH FLOOR, MOTHER & CHILD HOSPITAL BUILDING, GMCH)
Bhangagarh, Guwahati-781032, Email: gmch-asm@nic.in

NOTICE
21-11-2026

As directed by the DME, Assam in pursuance of Government Notification No. MER.823273/22, dated 24/09/2026 and DME Letter No. DME/DG/2026/790538/6-B/1937, dated 19/11/2026 regarding the revision to Government fees for the MBBS course, all the Academic Batch from 2022-23, 2023-24, 2024-25 and 2025-26 are hereby directed to deposit their fees as per the revised rates issued by the competent authority, according to their respective fees categories as mentioned below within 30 days from the date of issue of this order along with updated Income Certificate issued by competent authority.

Course	100% Full fee Bracket (>9.0 L P.A.)	50% subsidized Bracket (4.0L- 9.0L P.A.)	5% Bracket up to 4.0 L
MBBS	100000/- (one lakh only)	50000/- (fifty thousand only)	5000/- (five thousand only)

[Prof. (Dr.) B. K. Bezbaruah]
Principal,
Gauhati Medical College,
Guwahati-32

Memo No. MC/ 54/2024/30-A Dated Gauhati the 21st November, 2026

Copy for information and necessary action to-

1. The Commissioner and Secretary, MERD, Government of Assam.
2. The Director of Medical Education, Assam, Khanapara, Guwahati-22.
3. The Vice-Principal, Gauhati Medical College, Guwahati.
4. PS to the Health Minister, Government of Assam.
5. The Accountant/Cashier, Gauhati Medical College, Guwahati.
6. Notice Board: College, Hostel-II, III, IV (New & Old), VII and Additional Girl's Hostel, Gauhati Medical College, Guwahati.
7. Relevant file for record.

Principal,
Gauhati Medical College,
Guwahati-32

notice by gauhati medical college and hospital

Gauhati Medical College and Hospital (GMCH)-ৰ ২১ নৱেম্বৰত জাৰি কৰা জাননীত ৩০ ননৱেম্বৰ ভিতৰত নতুন মাচুল জমা দিবলৈ কোৱা হৈছে। নামভর্তিৰ পিছত মাচুলৰ গাঁথনি সলনি কৰি ইতিমধ্যে অধ্যয়নৰত শিক্ষার্থীৰ ক্ষেত্রতো নতুন ব্যৱস্থা প্রয়োগ কৰাৰ সিদ্ধান্তই শিক্ষার্থী আৰু অভিভাৱকৰ মাজত উদ্বেগ সৃষ্টি কৰাৰ লগতে চৰকাৰৰ নীতিৰ যুক্তিযুক্ততাক লৈও প্রশ্নৰ সৃষ্টি কৰিছে।

Medical Education and Research Department-ৰ ২৪ ছেপ্টেম্বৰ, ২০২৬ তাৰিখৰ নির্দেশনা অনুসৰি, ৰাজ্য চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত মর্মে ৰাজ্যৰ চৰকাৰী মেডিকেল আৰু ডেণ্টেল কলেজসমূহত MBBS আৰু

BDS পাঠ্যক্রমৰ মাচুল পৰিয়ালৰ বাৰ্ষিক উপাৰ্জনৰ ভিত্তিত নিৰ্ধাৰণ কৰা হৈছে।

GOVERNMENT OF ASSAM
MEDICAL EDUCATION AND RESEARCH DEPARTMENT
DISPUR::GUWAHATI - 781006

ORDERS BY THE GOVERNOR
NOTIFICATION

Dated Dispur, the, ↓

No.MER.823273/22 : In pursuance of the decision of the Hon'ble Cabinet dated 30-08-2026, the Governor of Assam is hereby pleased to notify the revision of the Government Fees in respect of MBBS and BDS courses across all Government Medical and Dental institutions under the Directorate of Medical Education (DME), Assam, as follows:-

1. INCOME-LINKED SLIDING SCALE FEE MATRIX

- **Category A — 100% Full Fee Bracket (Household Annual Income > Rs. 9,00,000/-):** Candidates belonging to high-income families shall pay the standard full base tuition fee.
- **Category B — 50% Subsidised Fee Bracket (Household Annual Income Rs. 4,00,001/- to Rs. 9,00,000/-):** Candidates belonging to middle-income families shall be eligible for a 50% waiver on the full base fee.
- **Category C — 5% Token Fee Bracket (Household Annual Income Up to Rs. 4,00,000/-):** Candidates belonging to low-income/BPL families shall pay only 5% of the full base fee.

Sl. No.	Name of the Course	100% Full Fee Bracket (> Rs. 9.0L p.a.)	50% Subsidised Bracket (Rs. 4.0L - 9.0L p.a.)	5% Token Fee Bracket (Up to Rs. 4.0L p.a.)	Indicative Monthly Break-up (On Full amount)
1	**MBBS (Undergraduate)**	Rs. 1,00,000/-	Rs. 50,000/-	Rs. 5,000/-	Rs. 8,333 / month
2	**BDS (Dental)**	Rs. 75,000/-	Rs. 37,500/-	Rs. 3,750/-	Rs. 6,250 / month

2. Applicability

- The revised Government Fee prescribed under this Notification shall be applicable only in respect of MBBS and BDS courses conducted in Government Medical and Dental Colleges/Institutions under the Directorate of Medical Education, Assam.
- The present revision shall not extend to Nursing or other Allied Health Courses, Postgraduate (MD/MS), Super-Specialty (DM/M.Ch.) or any other courses, which shall remain outside the purview of the present fee enhancement.

3. Waiver of Government Fee in extraordinary circumstances

- The Principals of the concerned Government Medical and Dental Colleges are hereby empowered to grant waiver of up to 50% of the applicable Government Fee to students facing clearly established extraordinary circumstances that may otherwise compel the student to discontinue his/her MBBS/BDS studies.

The power to grant such waiver shall be subject to the following conditions:

a. The waiver shall be considered only in genuine and exceptional cases involving clearly established extraordinary circumstances.
b. The student shall submit an application before the Principal along with documentary evidence in support of the circumstances necessitating such waiver.
c. The Principal shall examine each case on its individual merits and satisfy himself/herself regarding the genuineness of the circumstances.
d. Every waiver granted shall be supported by a reasoned and speaking order, clearly recording the extraordinary circumstances and the grounds justifying the grant of waiver.
e. The waiver shall be limited to a maximum of 50% of the applicable Government Fee.
f. The power shall be exercised sparingly and not as a matter of routine.

© 2026 NewzNow

notice by Medical Education and Research Department

নতুন মাচুলৰ গাঁথনি অনুসৰি, পৰিয়ালৰ বাৰ্ষিক উপাৰ্জন ৯ লাখ টকাৰ অধিক হ’লে MBBS-ৰ বাবে বছৰি ১ লাখ টকা আৰু BDS-ৰ বাবে ৭৫ হাজাৰ টকা দিব লাগিব। ৪ লাখৰ পৰা ৯ লাখ টকালৈ উপাৰ্জন থকা পৰিয়ালৰ শিক্ষাৰ্থীৰ বাবে MBBS-ৰ বাৰ্ষিক মাচুল ৫০ হাজাৰ আৰু BDS-ৰ মাচুল ৩৭,৫০০ টকা নিৰ্ধাৰণ কৰা হৈছে। আনহাতে, পৰিয়ালৰ বাৰ্ষিক উপাৰ্জন ৪ লাখ টকালৈ হ’লে MBBS-ৰ মাচুল ৫ হাজাৰ আৰু BDS-ৰ মাচুল ৩,৭৫০ টকা হ’ব।

অৰ্থাৎ পৰিয়ালৰ উপাৰ্জনৰ শ্ৰেণী অনুসৰি MBBS-ৰ বাৰ্ষিক মাচুলত বৃহৎ পাৰ্থক্য ৰখা হৈছে। ৯ লাখ টকাৰ অধিক উপাৰ্জন থকা পৰিয়ালৰ শিক্ষাৰ্থীয়ে বছৰি ১ লাখ টকা দিব লাগিব, আনহাতে ৪ লাখ টকালৈ উপাৰ্জন থকা পৰিয়ালৰ শিক্ষাৰ্থীৰ বাবে মাচুল ৫ হাজাৰ টকা। চৰকাৰে উপাৰ্জনভিত্তিক মাচুলৰ ব্যৱস্থা গ্ৰহণ কৰিলেও উপাৰ্জনৰ সীমা নিৰ্ধাৰণৰ ভিত্তি, মাচুল বৃদ্ধিৰ প্ৰয়োজনীয়তা আৰু শিক্ষাৰ্থীৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে অধিক স্পষ্টতা বিচৰাৰ অৱকাশ আছে।


পূৰ্বৰ চাৰিটা শিক্ষাবৰ্ষৰ শিক্ষাৰ্থীলৈও নতুন মাচুলৰ নিৰ্দেশ

এই সিদ্ধান্তৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হৈছে ইতিমধ্যে মেডিকেল কলেজত নামভৰ্তি কৰি পাঠ্যক্ৰমত অধ্যয়ন কৰি থকা শিক্ষাৰ্থীৰ ক্ষেত্ৰতো সংশোধিত মাচুলৰ নিৰ্দেশ প্ৰেৰণ কৰা হৈছে GMCH-ৰ অধ্যক্ষ তথা মুখ্য অধীক্ষকে ২১ নৱেম্বৰত জাৰি কৰা জাননী অনুসৰি, ২০২২–২৩, ২০২৩–২৪, ২০২৪–২৫ আৰু ২০২৫–২৬ শিক্ষাবৰ্ষৰ MBBS শিক্ষাৰ্থীসকলক নিজ নিজ পৰিয়ালৰ বাৰ্ষিক উপাৰ্জনৰ শ্ৰেণী অনুসৰি সংশোধিত মাচুল জমা দিবলৈ কোৱা হৈছে। জাননী জাৰি হোৱা অনুসৰি ৩০ নৱেম্বৰৰ ভিতৰত নতুন Income Certificate-সহ মাচুল জমা দিব লাগিব। ইতিমধ্যে অধ্যয়ন কৰি থকা শিক্ষাৰ্থীৰ ক্ষেত্ৰত সংশোধিত মাচুল আগন্তুক শিক্ষাবৰ্ষৰ বাবেহে প্ৰযোজ্য হ’ব। তেনেস্থলত নামভৰ্তিৰ সময়ত প্ৰচলিত মাচুলৰ ব্যৱস্থাৰ ভিত্তিত শিক্ষা আৰম্ভ কৰা শিক্ষাৰ্থীৰ বাবে পৰৱৰ্তী সময়ত নতুন মাচুলৰ গাঁথনি প্ৰযোজ্য কৰাক লৈ স্বাভাৱিকতে প্ৰশ্ন উত্থাপিত হৈছে।

বিশেষকৈ MBBS পাঠ্যক্ৰমত নামভৰ্তি লাভৰ পিছত শিক্ষাৰ্থী আৰু অভিভাৱকে কেইবাবছৰীয়া শিক্ষাজীৱনৰ বাবে আৰ্থিক পৰিকল্পনা কৰে। পাঠ্যক্ৰম চলি থকাৰ মাজতেই মাচুলৰ পৰিমাণ সলনি হোৱাত ছাত্ৰ ছাত্ৰী সকলৰ পৰিয়াল সমূহৰ সেই পৰিকল্পনাত প্ৰভাৱ পৰিছে। যিসকল শিক্ষাৰ্থীৰ পৰিয়ালে পূৰ্বৰ মাচুলৰ ভিত্তিত নিজৰ সামৰ্থ্য অনুসৰি শিক্ষা অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছিল, তেওঁলোকৰ বাবে নতুন মাচুলৰ পৰিমাণ কিমান পৰ্যন্ত বহনযোগ্য হ’ব, সেয়াও এক গুৰুত্বপূৰ্ণ প্ৰশ্ন।

৩০ নৱেম্বৰৰ ভিতৰত মাচুল সংগ্ৰহ সম্পূৰ্ণ কৰাৰ নিৰ্দেশ

ইফালে, Directorate of Medical Education (DME)-এ ১৯ নৱেম্বৰ, ২০২৬ তাৰিখে ৰাজ্যৰ সকলো চৰকাৰী মেডিকেল আৰু ডেণ্টেল কলেজৰ অধ্যক্ষলৈ প্ৰেৰণ কৰা নিৰ্দেশনাত নতুনকৈ নামভৰ্তি কৰা শিক্ষাৰ্থীৰ পৰা ৩০ নৱেম্বৰৰ ভিতৰত মাচুল সংগ্ৰহ সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে।



GOVERNMENT OF ASSAM
OFFICE OF THE DIRECTOR OF MEDICAL EDUCATION, ASSAM
SIXMILE, KHANAPARA, GUWAHATI-781022
Tele-Fax No.0361-2366236, E-mail: dmeassam@gmail.com

No. DME/UG/2026/790538/6-B/ 1937 Dated____ November, 2026

From: The Director of Medical Education, Assam,
Sixmile, Khanapara, Guwahati-781022.

To: 1. The Principal-cum-Chief Superintendent,
(All) Government Medical Colleges & Hospitals, Assam.
2. The Principal, (All) Government Dental Colleges, Assam.

Sub: Completion of Government Fee collection for MBBS/BDS courses as per the revised rates.

Ref: Govt. Notification No. MER.823273/22 dated 24-09-2026

Sir/ Madam,

With reference to the above, I am to kindly request you to complete the collection of Government Fees from the MBBS and BDS students of your College as per the revised rates notified by the Government.

In this regard, you are requested to kindly take the following steps:

(i) Complete the collection of fees from the newly admitted students by 30th November, 2026.

(ii) Verify the income category of each student as per the Notification.

(iii) Deposit the entire amount collected to the State Exchequer.

(iv) Keep proper records of any fee waiver allowed, with the order of the Principal.

After completion, you are requested to kindly submit the final report in the proforma enclosed, to this office **by 2nd December, 2026**, by e-mail to dmeassam@gmail.com, and fill the Google form link https://forms.gle/5ZTTHszV8QRquHDh6

Your kind cooperation in completing this work within the given time will be highly appreciated.

Enclosure: Proforma (copy).

Yours faithfully,
19/11/26
Director of Medical Education, Assam

Memo No. DME/UG/2026/790538/6-B/ 1937-40. Dated ____ November, 2026

Copy forwarded to:

1. The Commissioner & Secretary to the Govt. of Assam, Medical Education & Research Department, Dispur, for favour of kind information.
2. The PS to Hon'ble Minister, ME&R Department for kind appraisal of Hon'ble Minister.

19/11/26
Director of Medical Education, Assam

Notice by Directorate of Medical Education (DME

প্রতিগৰাকী শিক্ষার্থীৰ পৰিয়ালৰ বার্ষিক উপার্জনৰ শ্রেণী পৰীক্ষা কৰি সেই অনুসৰি মাচুল সংগ্রহ কৰাৰ নির্দেশ দিয়া হৈছে।

নির্দেশনাত সংগৃহীত সম্পূর্ণ ধন ৰাজ্যৰ ৰাজকোষত জমা দিবলৈও কোৱা হৈছে। কলেজসমূহে মাচুল ৰেহাই সম্পৰ্কীয় সিদ্ধান্তৰ নথি-পত্ৰ সংৰক্ষণ কৰিব লাগিব। ইয়াৰ লগতে ২ ডিচেম্বৰ, ২০২৬ৰ ভিতৰত মাচুল সংগ্ৰহ আৰু সংশ্লিষ্ট তথ্যৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব লাগিব।

নির্দেশনা অনুসৰি, মাচুলৰ পৰিমাণ মাহিলি হিচাপতো প্ৰদৰ্শন কৰা হ’ব যদিও শিক্ষাবৰ্ষৰ আৰম্ভণিতে এবাৰতে বাৰ্ষিক মাচুল সংগ্ৰহ কৰা হ’ব। অৰ্থাৎ মাহিলি হিচাপত মাচুলৰ পৰিমাণ জনা যাব যদিও শিক্ষাৰ্থীয়ে একেলগে সম্পূৰ্ণ বাৰ্ষিক ধন জমা দিব লাগিব। আৰ্থিকভাৱে অসুবিধাত থকা পৰিয়ালৰ বাবে এবাৰতে এই পৰিমাণৰ ধন যোগাৰ কৰাটো কিমান সহজ হ’ব, সেয়াও বিবেচনাৰ বিষয়।

উপলব্ধ এখন মেডিকেল কলেজৰ পূৰ্বৰ মাচুলৰ জাননী অনুসৰি

উপলব্ধ এখন মেডিকেল কলেজৰ পূৰ্বৰ মাচুলৰ জাননী অনুসৰি, Pragjyotishpur Medical College and Hospital-ৰ ২০২৫–২৬ শিক্ষাবৰ্ষৰ প্ৰথম বৰ্ষৰ MBBS পাঠ্যক্ৰমৰ বাবে চৰকাৰী মাচুল আছিল ২,৪০০ টকা ।

GOVERNMENT OF ASSAM
OFFICE OF THE PRINCIPAL-CUM-CHIEF SUPERINTENDENT
PRAGJYOTISHPUR MEDICAL COLLEGE & HOSPITAL, GUWAHATI
RK Mission Road, Birubari, Guwahati, -16, Assam
Email: principalpmc2024@gmail.com

No : PMC/55/2025/2012 Dated : 22/09/2025

NOTICE

This is for information of all concerned that the **fee structure** for admission into the 1st Year MBBS Course at Pragjyotishpur Medical College, Guwahati for the session 2025-26 is as under:

A	**Government Fee**	**Amount in Rs**
1	Admission Fess	1000.00
2	Tution Fees	1200.00
3	Examination Fees	200.00
	Total	**2400.00**
B	**Non Government Fess**	
1	Security Deposit Money (Non Refundable) (One Time)	4000.00
2	Examination Fund	1500.00
3	Union Fees	2000.00
4	Game Fees	1000.00
5	Magazine Fees	500.00
6	Common Room Fees	1000.00
7	Student Welfare Fund (One Time)	7000.00
8	Wi Fi, Logbook Etc (One Time)	3000.00
9	Library Fees (One Time)	1000.00
10	Correspondence Fees (One Time)	2000.00
	Total	**23000.00**
	A+B Total	**25400.00**
C	Hostel Fees (One Time) only for Hostel Boarder (To be paid at the Time of Hostel Alloted)	6000.00
	A+B+C Total	**31400.00**
D	Counseling Fess	1000.00
E	Health Card	300.00
	Grand Total (A+B+C+D+E)	**32700.00**

22/9/25

Prof. (Dr.) B. K. Baishya
Principal-cum-Chief-Superintendent
Pragjyotishpur Medical College
& Hospital
Dated: 22/09/2025

Principal
Pragjyotishpur Medical College
Guwahati, Assam

Memo No- PMC/55 /2025/2013-21
Copy information to:

1. The Commissioner & Secretary to the Govt. of Assam, Medical Education & Research Dept. Dispur, Guwahati-06
2. The Director of Medical Education, Sixmile, Khanapara, Guwahati-22
3. The Medical Superintendent, PMC&H,Guwahati-16
4. The Nodal Officer, UG Admission, Pragjyotishpur Medical College, Guwahati-16
5. The Prof & Head, Department of....., PMC&H.
6. The Financial Adviser, PMC&H
7. Website/ Notice Board
8. Office Copy

Principal-cum-Chief-Superintendent
Pragjyotishpur Medical College
& Hospital

Principal
Pragjyotishpur Medical College
Guwahati, Assam

উক্ত জাননী অনুসৰি, হোষ্টেলত থকা শিক্ষার্থীৰ বাবে সকলো উল্লেখিত মাচুল মিলাই মুঠ ধনৰ পৰিমাণ আছিল ৩২,৭০০ টকা।

তেনেস্থলত প্রশ্ন উত্থাপন হৈছে—নামভর্তিৰ পিছত মাচুলৰ গাঁথনি সলনি কৰাৰ প্রয়োজনীয়তা কিয় আহিল? এই সিদ্ধান্ত গ্রহণৰ পূর্বে শিক্ষার্থী আৰু অভিভাৱকৰ সৈতে আলোচনা কৰা হৈছিলনে? ৯ লাখ টকাৰ উপার্জন সীমা নির্ধাৰণৰ ভিত্তি কি? নতুন মাচুলৰ ফলত আর্থিকভাৱে অসুবিধাত পৰা শিক্ষার্থীৰ পঢ়া অব্যাহত ৰখাৰ বাবে চৰকাৰৰ কোনো বিশেষ সহায় আঁচনি থাকিবনে? অধ্যক্ষৰ ৫০ শতাংশ ৰেহাইৰ ক্ষমতা ব্যৱহাৰৰ ক্ষেত্রত স্বচ্ছতা আৰু সমতা কেনেদৰে নিশ্চিত কৰা হ’ব?




Nachiket Bhatia
@bhatia_nachiket

Follow

Who is accountable at Assam DME? GMCH's 21 Nov notice, citing the 24 Sep government notification and 19 Nov DME letter, orders MBBS batches 2022–23 to 2025–26 to pay revised fees within 30 days and submit updated income certificates: ₹1 lakh for family income above ₹9 lakh, ₹50,000 for ₹4–9 lakh, and ₹5,000 up to ₹4 lakh.

The Supreme Court's 14 Oct ruling in Dr. B.C. Roy Engineering College v. State of West Bengal said professional-course fees should ordinarily be set for the full course before admissions, with mid-course changes only in exceptional cases. Assam's DME owes existing students a clear explanation and legal basis for this order.



Reaction on social media

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/5091/assam-mbbs-fee-hike-gmch-notice